নিৰ্ভীক, নিৰপেক্ষ

অসমীয়া খবৰ

### ষষ্ঠ ষান্মাসিকৰ ছাত্ৰীৰ বিদায় সভা

# কানৈ মহাবিদ্যালয়ক লৈ মই গৌৰৱ কৰোঁ ঃ ডাঃ প্ৰশান্ত দিহিঙীয়া

**ষ্টাফ ৰিপ'র্টাৰ, ডিব্ৰুগড়, ২৪ এপ্ৰিল ঃ** 'কানৈ মহাবিদ্যালয়ক লৈ মই গৌৰৱ কৰোঁ। কানৈ মহাবিদ্যালয়ে অসমৰ মহাবিদ্যালয়সমূহক বহু ব্যতিক্ৰমী কাম-কাজেৰে নেতৃত্ব দিবলৈ সক্ষম হৈছে।' অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়াই ২২ এপ্ৰিলত অনুষ্ঠিত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰীসকলৰ বিদায়ী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয়। ছাত্ৰী নিৱাসৰ ছাত্ৰীসকলে চাকি-বন্তিৰে বিশিষ্ট চিকিৎসকগৰাকীক আদৰণি জনাই অনা-অনুষ্ঠানত তেওঁ কয়—কানৈ মহাবিদ্যালয় আজি সমগ্ৰ বিশ্বত পৰিচিত এটি নাম। এই যশস্যা আৰু গৌৰৱৰ তেওঁ সমভাগী বুলি উল্লেখ কৰি কয় ছাত্ৰ-ছাত্ৰীসকলে এই মহাবিদ্যালয়খনৰ আদৰ্শ সমাজত বিয়পাই দিয়া উচিত। ছাত্ৰীসকলক আজীৱন মহাবিদ্যালয়খনৰ উত্তৰণৰ হকে কাম কৰি যাবলৈ পৰামৰ্শ দিয়ে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰীসকলক কয়— প্ৰকৃততে কোনেও কাকো বিদায় দিব নোৱাৰে। সকলো ছাত্ৰীকে এক নতুন জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি তেওঁলোকৰ উত্তৰোত্তৰ কামনা কৰে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ বিভাগৰ সহযোগী অধ্যাপক বদন বৰ্মনে বিদায়ী ছাত্ৰীসকলক মহাবিদ্যালয়খনৰ স'তে সম্পৰ্ক আজীৱন ৰাখিবলৈ পৰামৰ্শ দি কয়— মহাবিদ্যালয়খনক তেওঁলোকে কেতিয়াও পাহৰি যোৱা উচিত নহয়। অনুষ্ঠানত সোণাপুৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক অৰ্চনা শৰ্মা, হাজো ডুমডুমা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ববিতা কলিতা, বিচিএম মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক জয়া মেধি, দীনদয়াল উপাধ্যায় আমচাং মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক অংকিতা হালৈ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপক আদিত্য দাহাল, অধ্যাপিকা ড° নিৰ্মালী পেগু, অধ্যাপক ড° দীপংকজ গগৈ, ছাত্ৰী নিৱাসৰ অধীক্ষক উৰ্মিলা ৰামছিয়াৰী, ছাত্ৰাৱাসৰ অধীক্ষক ড° বিৰাজ দত্তক একোখনকৈ ফুলাম গামোচাৰে ছাত্ৰীসকলে আদৰণি জনোৱা অনুষ্ঠানত ছাত্ৰীসকলে গীত-মাত-নৃত্যৰে মননশীল কৰি তোলে। অনুষ্ঠানত ছাত্ৰী নিৱাসৰ বিদায়ী ছাত্ৰীসকলক একোখননৈ মানপত্ৰ প্ৰদান কৰা হয়।